Total No. of Printed Pages—3

**1 SEM TDC ASM MIL (A) 1**

**2017**

( November )

# ASSAMESE

## ( Modern Indian Language )

**( Arts )**

Course : 101

( অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থৰ লেখক কোন?

(খ) চৰ্যাপদসমূহ ক'ৰ পৰা উদ্ধাৰ কৰা হৈছিল?

(গ) মাধৱ কন্দলীৰ ভণিতা থকা 'ৰামায়ণ'ৰ বাহিৰে আনখন গ্ৰন্থৰ নাম লিখাঁ।

(ঘ) বিষ্ণুপুৰী সন্ন্যাসীৰ কোনখন গ্ৰন্থ মাধৱদেৱে অসমীয়ালৈ অনুবাদ কৰিছিল?

(ঙ) 'মহাভাৰতৰ কবি' বুলি কাক কোৱা হয়?

(চ) অ০ ভা০ উ০ সা০ সভাৰ মুখপত্ৰখনৰ নাম কি?

(ছ) 'চমাংকান' কোন জনগোষ্ঠীৰ উৎসৱ?

(জ) অসমীয়া সংস্কৃতি বিষয়ক এখন গ্ৰন্থৰ নাম লিখাঁ।

২। 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত সত্যেন্দ্ৰনাথ শৰ্মাই কৰা অসমীয়া সাহিত্যৰ যুগ-বিভাজন উল্লেখ কৰি যি কোনো এটা যুগৰ সাহিত্যৰ পৰিচয়মূলক টোকা যুগুত কৰাঁ। ৪+১০=১৪

৩। (ক) পাঁচালী সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) মাধৱদেৱৰ কাব্য-প্ৰতিভাৰ এটি পৰিচয়সূচক প্ৰবন্ধ যুগুত কৰাঁ। ১৪

৪। (ক) অসমীয়া ৰোমাণ্টিক সাহিত্যৰ ঘাই বিশেষত্ববোৰ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ নাট্য-প্ৰতিভা সম্পৰ্কে প্ৰবন্ধ যুগুত কৰাঁ।

৫। (ক) অসমীয়া সংস্কৃতিলৈ তিব্বত-বৰ্মীসকলৰ অৱদানৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১০

অথবা

(খ) 'অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ।

৬। সংস্কৃতি বুলিলে কি বুজা? সংস্কৃতিৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলচ যুগুত কৰাঁ। ৩+৭=১০

৭। চমু টোকা লিখাঁ : ৪×৩=১২

(ক) কাতি বিহু

(খ) আলি আঁই লৃগাং

(গ) হ্যাচাকেকান

★★★